# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং ১৫৭
## উত্তৰ দিয়াৰ তাৰিখ – ২১-০৩-২০২২

বিষয় : অসম লোকসেৱা আয়োগ

বিধায়ক : শ্ৰী দেবব্ৰত শইকীয়া

মাননীয় কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাকেশ পালৰ অপসাৰণৰ পিছত APSC ৰ বিভিন্ন পৰীক্ষা বিসংগতিপূৰ্ণ ভাৱে কিয় অনুষ্ঠিত কৰা হৈছে ?

(খ) সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা ২০২০ ৰ প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ভুল Answer key সহ প্ৰকাশ কৰাটো সঁচানে ?

(গ) অসম চৰকাৰৰ প্ৰাথমিক তদন্তত ২০১৩, ২০১৪ চনৰ পৰীক্ষাত বিসংগতি পোৱা স্বত্বেও ২০১৪ চনৰ পৰীক্ষাটো One Man Judicial Committee ৰ তদন্ত কিয় কৰিব দিয়া নাই ?

(ঘ) উদ্যোগ বিভাগৰ মেনেজাৰ আদি পদৰ মৌখিক সাক্ষাৎকাৰ ২৭ অক্টোবৰৰ পৰিৱৰ্তে কিয় ৮ নৱেম্বৰলৈকে পিছুৱাই দিয়া হ'ল ? এই সন্দৰ্ভত Internal Memo আদি দাখিল কৰিব ?

(ঙ) অসমৰ দৰে কোন কোন ৰাজ্যৰ অসামৰিক প্ৰতিযোগিতামূলক পৰীক্ষাত ৰাজ্যিক ভাষাৰ যোগ্যতামূলক পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক ?

(চ) বৰ্তমান লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলৰ নিযুক্তিৰ সময় আৰু অভিজ্ঞতা জনাব ?

<u>উত্তৰ :</u>

অসমৰ মাননীয় মুখ্যমন্ত্ৰী তথা কৰ্মচাৰী বিভাগৰ মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিব:

ক. ৰাকেশ পালৰ অপসাৰণৰ পিছত অসম লোকসেৱা আয়োগৰ সকলো পৰীক্ষা আয়োগে নিৰ্দ্ধাৰণ কৰা বিধি আৰু নীতি নিয়মৰ মাজেৰে অনুষ্ঠিত কৰিছে ।

খ. সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা ২০২০ৰ প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ভুল Answer key সহ প্ৰকাশ কৰাটো সঁচা নহয় ।

গ. অসম চৰকাৰে অসামৰিক সেৱাৰ প্ৰাৰম্ভিক আৰু মুখ্য পৰীক্ষা পৰিচালনাত, যাৰ ফলাফল ২০১৫ ৰ মে মাহত ঘোষণা কৰা হৈছিল, বিসংগতি আৰু অপব্যৱহাৰৰ অভিযোগ তদন্তৰ বাবে অধিসূচনা নং No.PLA. 440 / 2015 / 102/ ECF-72687 dtd. 08/07/2019 মতে বি. কে. শৰ্মা, ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) তদন্ত আয়োগ গঠন কৰিছিল। ২০১৪ চনৰ পৰীক্ষাটোৰ One Man Inquiry Commission ৰ তদন্তৰ বিষয়টো বৰ্তমানে বিবেচনাধীন হৈ আছে ।

ঘ. উদ্যোগ বিভাগৰ মেনেজাৰ আদি পদৰ মৌখিক সাক্ষাৎকাৰ অনিবাৰ্য্য কাৰণবশত: ২৭ অক্টোবৰৰ পৰিৱৰ্তে ৮ নৱেম্বৰ লৈকে পিছুৱাই দিয়া হৈছিল । এই সন্দৰ্ভত যাৱতীয় নথি পৰিশিষ্ট 'ক' আৰু 'খ' ত দিয়া হল ।

ঙ. অসমত অসামৰিক প্ৰতিযোগিতামূলক পৰীক্ষাত ৰাজ্যিক ভাষাৰ যোগ্যতামুলক পৰীক্ষাত উৰ্ত্তীৰ্ণ হোৱাটো বাধ্যতামূলক নহয় ।

চ. বৰ্তমান অসম লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্য সকলৰ নিযুক্তিৰ সময় আৰু অভিজ্ঞতা তলত উল্লেখ কৰা হল :

| ক্ৰমিক নং, | নাম | পদৱী | নিযুক্তিৰ তাৰিখ | অভিজ্ঞতা |
|---|---|---|---|---|
| ১ | শ্ৰী ৰাজীৱ কুমাৰ বৰা, আই. এ. এচ. (অৱসৰ প্ৰাপ্ত) | অধ্যক্ষ | ১০-২-২০২১ | ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ আৰু অৱসৰ । |
| ২ | ড° অজন্তা নাথ | সদস্যা | ১২-৬-২০১৮ | THB মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপে কাৰ্য্যনিৰ্বাহ । |
| ৩ | ড° নিৰঞ্জন কলিতা | সদস্য | ১৯-২-২০২০ | S.B. Deorah মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ । |
| ৪ | শ্ৰী দেৱেশ্বৰ মালাকাৰ, আই. এ. এচ. (অৱসৰ প্ৰাপ্ত) | সদস্য | ২২-০৬-২০২০ | ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ আৰু অৱসৰ । |
| ৫ | শ্ৰী যুতা জুলি সোনোৱাল, আই. এ. এচ. (অৱসৰ প্ৰাপ্ত) | সদস্যা | ১১-০১-২০২১ | ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ আৰু অৱসৰ । |

################

*বিধানসভাৰ শেহতীয়া বিধি অনুসৰি পৰিশিষ্ট 'ক' আৰু পৰিশিষ্ট 'খ' বিধানসভাৰ ৱেবছাইট 'www.alasession.org' ত আপলোড ক'ৰা হৈছে*

পৰিশিষ্ট 'ক'

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
*****

No. 68PSC/DR-9/1/2018-19 Dated Guwahati the 25th Oct./2021

## NOTIFICATION

In pursuance of this office Notification No.62PSC/DR-9/1/2018-19 dated11/10/202. it is for information to all concerned candidates that the Interview for the post of Functional Manager/Production Manager/Deputy Director under Industries and Commerce Department. Assam scheduled to be held on 27/10/2021 is hereby deferred to 08/11/2021 due to unavoidable circumstances. The concerned candidates are directed to appear before the Commission for interview on 08/11/2021 at 9:00 A.M accordingly. The intimation letter will be uploaded later on.

Sd/-
Deputy Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati-22

পৰিশিষ্ট 'খ'

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
*******

## বাতৰিৰ স্পষ্টীকৰণ

যোৱা ১০ নৱেম্বৰ ২০২১ ইং তাৰিখৰ দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা আৰু আমাৰ অসম কাকতত প্ৰকাশিত "উদ্যোগ আৰু বাণিজ্য বিভাগৰ ২১টা ফাংচনেল মেনেজাৰ/প্ৰজেক্ট মেনেজাৰ/উপসঞ্চালক পদৰ প্ৰাৰ্থী বাছনিত চুড়ান্ত অনিয়ম" শীৰ্ষক শিৰোনামাৰে প্ৰকাশিত বাতৰিসমূহ আয়োগৰ দৃষ্টিগোচৰ হৈছে। আয়োগে এই সন্দৰ্ভত স্পষ্টীকৰণ দিব বিচাৰে যে বিজ্ঞাপণ অনুসৰি উক্তপদৰ বাবে প্ৰাৰ্থী নিৰ্দিষ্ট বিষয়ত স্নাতক হোৱাৰ উপৰিও কোনো চৰকাৰী/চৰকাৰী অধীনস্থ প্ৰতিষ্ঠানত অতিকমেও আঁঠ বছৰ কামকৰা অভিজ্ঞতাসম্পন্ন হ'ব লাগে আৰু ইয়াৰে ভিতৰত পাঁচ বছৰ সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত নিশ্চিতভাবে কৰ্মৰত হ'বই লাগিব। প্ৰাৰ্থীসকলে দাখিল কৰা প্ৰপত্ৰসমূহ নিৰীক্ষণৰ অন্তত সৰ্বমুঠ ২৭ গৰাকী প্ৰাৰ্থীয়ে উক্ত অভিজ্ঞতা, পদমৰ্য্যাদা আৰু সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত কাম কৰাৰ যোগ্যতাসূচক মানবোৰ পুৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু ২৪৫ গৰাকীক অযোগ্য বুলি বিবেচিত হৈছিল।

ইতিমধ্যে অযোগ্য বিবেচিত প্ৰাৰ্থীসকলৰ কিছুমানে কেন্দ্ৰীয়/ৰাজ্য চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানত কৰ্মৰত সুত্ৰে আয়োগৰ ওচৰত তেওঁলোকৰ প্ৰাৰ্থীত্ব পুনৰ বিবেচনাৰ বাবে প্ৰাৰ্থনা জনাইছিল আৰু আয়োগে তেওঁলোকৰ নথিপত্ৰসমূহ পুংখানুপুংখভাৱে পৰীক্ষা কৰি প্ৰতীয়মান হৈছিল যে ইয়াৰে ১১ গৰাকী প্ৰাৰ্থীৰ পূৰ্ব-সংশোধিত দৰমহা গাঁথনিয়ে তেওঁলোকৰ পদমৰ্য্যাদা আৰু সহকাৰী সঞ্চালক পৰ্যায়ৰ পদত কাম কৰাৰ যোগ্যতাসূচক মান বিজ্ঞাপনৰ সৈতে পূৰ্ণ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত তেওঁলোককো যোগ্য বুলি বিবেচনা কৰা হয়। সেয়েহে ইতিম্যধে যোগ্য বুলি বিবেচিত ২৭ গৰাকী আৰু পৰবৰ্তী ১১ গৰাকী মুঠ ৩৮ গৰাকী প্ৰাৰ্থীক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱা হয়। আয়োগে সকলো সংশ্লিষ্টপক্ষক দৃঢ়তাৰে জনাব বিছাৰে যে উক্ত ১১ জন প্ৰাৰ্থীৰ সাক্ষাৎকাৰলৈ পুনৰ বাছনিৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়ম হোৱা নাই।

আয়োগৰ নিজস্ব বিধি অনুসৰি মৌখিক সাক্ষাৎকাৰৰ বাবে মুঠ ১০০ নম্বৰ ধাৰ্য্য কৰা হৈছিল। ইয়াৰ ভিতৰত শিক্ষাগত অৰ্হতাৰ বাবে ৫০ নম্বৰ আৰু সাক্ষাৎকাৰৰ বাবে ৫০ নম্বৰ। উক্ত ১০০ নম্বৰৰ পৰা পোৱা নম্বৰ আৰু সম্পূৰ্ণ মেধাৰ ভিত্তিত পদসমূহৰ বাবে প্ৰাৰ্থী বাছনি কৰা হৈছিল। গতিকে এনেধৰণৰ বিভ্ৰান্তিকৰ বাতৰিয়ে আয়োগে স্বচ্ছ, নিকা আৰু মেধাৰ ভিত্তিত বাছনি কৰা যোগ্যবান প্ৰাৰ্থীসকলৰ মনোবলত আঘাত কৰাৰ লগতে আগন্তক বিভিন্ন পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বলগীয়া নিষ্ঠাবান প্ৰাৰ্থীসকলকো নিৰুৎসাহিত কৰিব।

আয়োগৰ তৰফৰ পৰা এই ক্ষেত্ৰত সংবাদ মাধ্যম আৰু সংবাদসেৱী সকলোলৈ এনেধৰণৰ বিভ্ৰান্তিকৰ বাতৰি ভৱিষ্যতলৈ পৰিৱেশনৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনায়।

সচিব,
অসম লোকসেৱা আয়োগ,
খানাপাৰা, গুৱাহাটী-২২